অসম পৰিসংখ্যা সমবায় সঞ্চয় সমিতি পৰিসীমিত

(এছকটচ্)

The Assam Statistics Co-operative Thrift Society Limited

(ASCOTS)

# স্মৃতিগ্ৰন্থ





৫০ তম্ বাৰ্ষিক অধিৱেশন

দিনাংক ঃ ১১ চেপ্টেম্বৰ, ২০১৫ চন

সম্পাদক ঃ পঙ্কজ ফুকন

# সম্পাদকীয়



পোনপ্ৰথমে 'অসম পৰিসংখ্যা সমবায় সঞ্চয় সমিতি (এছকটচ্)' ৰ সমূহ বিষয়ববীয়া আৰু সদস্য/সদস্যাৰ  লগতে আমাৰ শুভাকাংক্ষী সকললৈ স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ হৈ হিয়াভৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। যি সকল ব্যক্তিৰ চিন্তা, প্ৰচেষ্টা আৰু ত্যাগৰ বিনিময়ত 'অসম পৰিসংখ্যা সমবায় সঞ্চয় সমিতি (এছকটচ্)' বৰ্তমান অৱস্থাত উপনীত হ'ল, সেই অগ্ৰজ সকলকো এই সুযোগতে সুঁৱৰিছো। আজিৰ সমাজ ব্যৱস্থাত এটা অনুষ্ঠান ব্যক্তি বিশেষে পৰিচালনা কৰি পঞ্চাশ বছৰ পূৰ্ণ কৰাটো অতি গৌৰৱৰ ক থা। এনে সমিতিৰ জৰিয়তে সমাজত সামাজিক আৰু আত্মীয়তাৰ বান্ধোন তথা অৰ্থনৈতিক ভূমিকা অনস্বীকাৰ্য। বৰ্তমান যিসকল ব্যক্তি প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত থাকি 'এছকটচ্' ৰ সমূহ সদস্য/সদস্যাকে অনুপ্ৰেৰণা আৰু উৎসাহ যোগাই আহিছে, সেই সকলকো অশেষ শ্ৰদ্ধা আৰু ধন্যবাদৰ শৰাই যাচিলো। যি সকল বন্ধু-বান্ধৱী তথা 'এছকটচ্' পৰিয়ালৰ শুভাকাংক্ষীয়ে পঞ্চাশ বছৰ পূৰ্ণ হোৱা উপলক্ষে সোণালী জয়ন্তী উদ্‌যাপনৰ লগত ৰজিতা খুৱাই এই স্মৃতিগ্ৰন্থ খন সম্পাদনা কৰাৰ দায়িত্ব আমাক অৰ্পণ কৰি সমিতিলৈ এই ক্ষণত সামান্যতম সেৱা আগবঢ়াবলৈ সুযোগ দিলে, সেই সকলক আমাৰ ফালৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলো।

'এছকটচ্' ৰ দৰে সঞ্চয় সমবায় সমিতি এখনৰ সোণালী জয়ন্তী বৰ্ষৰ স্মৃতিগ্ৰন্থৰ সম্পাদকীয় লেখাৰ ধৃষ্টতা আমাৰ নাই। লেখিম কিবা এটা, পাঠকে যদি বুজে কিবা এটা। আজিকালি বিভিন্ন মাধ্যমৰ জৰিয়তে অনেক জ্ঞান, অভিজ্ঞতাসম্বলিত তথ্য বা বিষয় প্ৰকাশ হৈ আছে। কিন্তু, এইবোৰ কিমানখিনি গ্ৰহনযোগ্য তাক কোনে প্ৰমান কৰিব? এই বিষয়বোৰৰ মাজত যদি আমি আজিৰ যুৱ চামৰ কথাই কবলৈ যাওঁ। যুৱক সকলৰ ওপৰত বিভিন্ন মাধ্যমতে তথাকথিত অভিজ্ঞলোকে নানান মন্তব্য আগবঢ়ায়। কিন্তু সমাজত সেই অভিজ্ঞসকলো এদিন যুৱকেই আছিল। তেওঁলোকেই আজিৰ

পিতৃ-মাতৃ। সেইসকলে সদায় তেওঁলোকৰ সময়ৰ লগত ৰিজাই বৰ্তমানৰ যুৱক সকলক বিভিন্ন ধৰণে সমালোচনা কৰে। কিন্তু সেই অভিজ্ঞসকলে কোনোদিনে তেওঁৰ আজিৰ পিতৃ-মাতৃৰ কৰ্মৰ লগত তেখেতসকলৰ পিতৃ-মাতৃৰ কৰ্মৰাজিৰ কোনো আত্মবিশ্লেষণ নকৰে। আজিৰ পিতৃ-মাতৃ সমাজত কিহৰ পিছত দৌৰি আছে? তেওঁলোকৰ সন্তানে দেখিছে কি? ডাঙৰ ডাঙৰ পকী ঘৰ, দুই তিনিখন গাড়ী. নামতহে একেলগে বাস কৰে ঘৰৰ ল'ৰা ছোৱালীৰ স'তে। হঠাৎ তাৰে এটি সন্তানে কিবা অপকৰ্ম এটা কৰিলে। লগে লগে বিভিন্ন মাধ্যমে সমাজ সচেতনতাৰ ভূমিকা লৈ ৰাইজৰ মাজত দেখুৱাই দিলে অভিজাত ঘৰৰ পুত্ৰৰ কু-কীৰ্তি বুলি। পিছে এনেধৰণৰ অৱস্থা এতিয়া অজস্ৰ সন্তানৰ। কিন্তু আমি সকলোৱে যিবোৰ এনেধৰণৰ ঘটনা দেখো সেইবোৰ ঘটনা বিলাকৰ উপৰিভাগ। বেমাৰ দেখিছো কিন্তু বেমাৰৰ কাৰণ অনুধাৱন কৰিবলৈ আমি কোনেও চেষ্টা কৰা নাই। অৰ্থ, ক্ষমতা, অৰ্থহীন প্ৰতিযোগিতাৰ খকৰ উন্মাদ এই প্ৰেমশূণ্য, আদৰ্শহীন মানুহকিছুমানেই আজিৰ পিতৃ-মাতৃ। প্ৰেমহীন বা তথাকথিত মৰমিয়াল মানুহবোৰৰ প্ৰভূত্বত যেতিয়া এখন সমাজ চলি থাকে আৰু আজিকালি এনেকুৱাই সেয়াই সত্য বুলি তেওঁলোকে সুখী বুলি ভাৱে সেইখন সমাজত প্ৰেম, আত্মীয়তা বৰ্তি থাকিব নোৱাৰে। ঘৰবোৰত হৈ থাকে অঘোষিত প্ৰতিযোগিতা, একোখন আনুভূতিক ৰণক্ষেত্ৰ। পিতৃ-মাতৃ সকলে বিচাৰি পোৱা সেই নিচাৰ পৃথিৱীখনেই সন্তানবিলাকক আগবঢ়াই নিয়ে। আজিৰ সন্তানে দেখে কোনো জ্ঞানী গুণী নহলেও বিধায়ক, মন্ত্ৰী হ'ব পাৰে বা চৰকাৰী চাকৰি পাব পাৰে। সন্তানে দেখে পৰিশ্ৰম নকৰি ডাঙৰ ডাঙৰ মিছা কথাৰ ভাষণ দি বা নজনাটোও জনাৰ ভাও জুৰি বা বে-আইনী কৰ্ম কৰি থকা সকলেহে সমাজত ভাল আসন পায়। ভালকৈ থাকিব পাৰে। আনহাতে, পৰিশ্ৰম কৰা মানুহবোৰ বৰ দুখত থাকে। সন্তানে দেখে গান গোৱাৰ নামত পাগলামি কৰা জনকহে ৰাইজে আদৰে। এইবোৰ দেখি শুনি সন্তানৰ সুস্থ আৱেগৰ সলনি গঢ় লৈ উঠে অসুস্থ আৱেগ। কোনো অনুভূতিকেই নিজৰ অধীনত ৰাখিব নোৱাৰা হয়। ফলত ক্ৰমশঃ সন্তানক পিতৃ-মাতৃৰ পৰাও আতঁৰাই নি থাকে। সমাজত খুব বেয়াকৈ কমিবলৈ ধৰিছে পিতৃ-মাতৃ আৰু অভিভাৱকৰ মূল্য। তাৰবাবে দায়ী আমি পিতৃ-মাতৃ সকল।

আপোনালোকে সম্ভৱ ভাবিছে এনেকুৱা কথা বহুতেই কয়, বহুতেই লিখে। এওঁ তাৰে এজন। অৱশ্যে সমাজত আমি পিতৃ-মাতৃ সকলে উক্ত সমস্যাবোৰ সমাধানৰ বাবে ৰাস্তা বন্ধ, ধৰ্ণা, সত্যাগ্ৰহ কৰিব লাগে। তথাকথিত অভিজ্ঞ ব্যক্তিৰ পৰামৰ্শ লব লাগে বুলি ভাবিব পাৰে। কিন্তু তেখেতসকলৰ ঘৰ বিলাকো তথৈবচ। সেয়ে, সকলো পিতৃ-মাতৃয়ে সন্তানক সময় দিব লাগিব। সন্তানৰ সুবিধা-অসুবিধা, সুখ-দুখৰ সমভাগী হোৱা, পুৱা-গধূলি কমেও একেলগে খোৱা-বোৱা কৰা, সন্তানৰ লগত একেলগে বহি সকলো সমস্যা সমাধানৰ চেষ্টা কৰা। লগতে উপদেশতকৈ নিজে যিকোনো কাম কৰি সন্তানক দেখুওৱা, অকথ্য যুক্তি পৰিহাৰ কৰি সত্যৰে বুজাই দিয়া, সন্তানৰ প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰিহে সামগ্ৰীৰ যোগান দিয়া, সন্তানক পৰিয়ালৰ সদস্য হিচাপে ঘৰৰ সৰু সৰু দায়িত্ব আলোচনা মৰ্মে অৰ্পন কৰা। পিতৃ-মাতৃয়ে বৰ্তমানৰ প্ৰযুক্তি বিদ্যাৰ জ্ঞান সন্তানৰ পৰা আহৰণৰ চেষ্টা কৰা , সন্তানক বাধ্যবাধকতাত নাৰাখি ইচ্ছামতে বা প্ৰিয় কৰ্মৰ লগত খাপ খাব পৰাকৈ কেৰিয়াৰ গঢ়াৰ সুবিধা কৰি দিয়া, আনৰ সন্তানৰ লগত বা বন্ধু বৰ্গৰ লগত কৰা তুলনা পৰিহাৰ কৰা,সন্তানৰ ওচৰত এজন ভাল শ্ৰোতা হোৱা, পিতৃ-মাতৃয়ে জীৱনত কৰিব নোৱাৰা কাম সন্তানৰ পৰা আশা

নকৰা, যি কোনো কামৰ পৰা নিজৰ লগতে সমাজ আৰু দেশৰ উপকাৰৰ বিষয়ে সন্তানৰ লগত আলোচনা কৰা, সফলতাৰ বাবে যে কোনো চমু পথ নাই সেই কথা নিজে উপলব্ধি কৰি সন্তানকো বুজাই দিয়া, সকলো কৰ্মৰে মৰ্যদা প্ৰদান কৰি আনৰ প্ৰতি ব্যৱহাৰৰ আৰ্হি দেখুওৱা ইত্যাদি, ইত্যাদি।

আজিৰ সন্তান কাইলৈ দেশৰ নাগৰিক। হকে বিহকে যুৱচামৰ ওপৰত দোষ জাপি দিয়াতকৈ কেনেকৈ সুনাগৰিক হ'ব পাৰি তাৰবাবে তেওঁলোকক পথ দেখুওৱা উচিত।

এতিয়া আহোঁ 'এছকটচ্' প্ৰসংগলৈ। 'অসম পৰিসংখ্যা সমবায় সঞ্চয় সমিতি চমুকৈ 'এছকটচ্' আমাৰ সঞ্চালকালয়ৰ এটি পৰিয়াল। ইয়াৰ সকলো সদস্য/সদস্যাকে একেলগে লৈ পৰিয়ালৰ বান্ধোনেৰে চলি অহাৰ বাবেই পঞ্চাশ বছৰ সগৌৰৱেৰে অতিবাহিত কৰিব পাৰিছে। এই সমিতিৰ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ লগত ৰজিতা খুৱাই স্মৃতিগ্ৰন্থখন প্ৰকাশৰ ক্ষেত্ৰত সমিতিৰ লগত জড়িত সদাশয় লেখক-লেখিকাই যি ধৰনে আগ্ৰহ দেখুৱালে, সেই সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰিলো। আপোনালোকৰ লেখনি সমূহত আমাৰ মতামত দিয়াৰ ধৃষ্টতা নাই। তথাপি কোনো লেখনি যদিহে প্ৰকাশত বাদ পৰিছে তেন্তে এয়া এক সমূহীয়া সিদ্ধান্ত । সাদৰেৰে গ্ৰহন কৰিব বুলি আশা কৰিলো।

স্মৃতিগ্ৰন্থখন সম্পাদনাৰ ক্ষেত্ৰত সকলোক্ষেত্ৰত দিহা পৰামৰ্শ আগবঢ়োৱা স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি শ্ৰীমতী নিৰুপমা তালুকদাৰ তথা সমিতিৰ সকলো সদস্য/সদস্যাকে ধৰি শ্ৰী ৰঞ্জন কুমাৰ দত্ত, শ্ৰীপূৰ্বজ্যোতি দাস, শ্ৰীমতী শেৱালী দাস, শ্ৰীমতী মৌচুমী হাজৰিকা, আনোৱাৰ হুছেইন, শ্ৰী প্ৰিয়নাথ দত্ত, শ্ৰী দিগন্ত ঠাকুৰীয়া, আদি সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। উপদেষ্টা মণ্ডলী ক্ৰমে শ্ৰী নগেন ভূএগা, শ্ৰীপ্ৰণয় কুমাৰ গোস্বামী আৰু শ্ৰীমুকুল গোস্বামী ডাঙৰীয়াই সম্পাদনাৰ ক্ষেত্ৰত লোৱা সক্ৰিয় ভূমিকা আৰু উপদেশৰ বাবে তেখেতসকলক এই ছেগতে শ্ৰদ্ধা আৰু ধন্যবাদ যাচিলোঁ।

যি সকল ব্যক্তিয়ে বা অনুষ্ঠানে বিজ্ঞাপন আগবঢ়াই তেখেত সকলৰ বহুল প্ৰচাৰৰ লগতে আৰ্থিকভাৱে সহায়ৰ হাত বঢ়াই স্মৃতিগ্ৰন্থখনৰ কলেৱৰৰ লগতে সৌষ্ঠৱ আগবঢ়ালে তেখেত সকলৰ ওচৰত আমি পৰম কৃতজ্ঞ।

স্মৃতিগ্ৰন্থখন আমাৰ মাজত সঠিক সময়ত প্ৰকাশ কৰাৰ বাবে হাই টেক্ প্ৰিন্টাৰ্চৰ স্বতাধিকাৰী শ্ৰীমানৰজ্যোতি ওজা আৰু ছপাশালৰ কৰ্মচাৰীবৃন্দলৈ আমাৰ কৃতজ্ঞতা থাকিল।

আশাকৰোঁ পাঠক সমাজে স্মৃতিগ্ৰন্থখনত অজানিতে হোৱা ভুল ভ্ৰান্তিৰ বাবে ক্ষমা কৰি সহৃদয়েৰে আদৰি লব।

শেষত 'অসম পৰিসংখ্যা সমবায় সঞ্চয় সমিতি' (এছকটচ্) ৰ দীৰ্ঘায়ু কামনাৰে....

পঙ্কজ ফুকন

স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি

# Portfolio and Diversification of Investment

- Pankaj Phukan

Investment can be defined as commitment of funds that is expected to generate additional money. So, an investment is commitment of current fund in anticipation of receiving more inflow of funds in future. There are three basic features which can be identified as common to all types of investment. These are-

1. There is a commitment of present fund.
2. There is an expectation of some return or benefits from such commitment in future, and
3. There is always some risk involved in respect of return of additional money and the principal amount.

After considering the above features, an investers has to deal with some questions. These are: How much of the total fund avalable for investment.?How much to be invested in long term assets and how much in shares and other securities? How much to be invested in life policies, futures endowment funds etc?

An investor should draw a overall financial plan considering the points and features. once a financial plan is proposed, or investor would be interested in constructing and managing the optimum combination of the investment alternative such a combination is to enhence the wealth or profit of the investor. The combination of investments is known as portfolio and the practice of including several investment alternatives in the portfolio is known as divercification which aims at reducing the risk of the investor and enhence the wealth. For example, an investor has 200 shares of a company, 1000 units of a mutual fund, Rs.50,000/- balance of public provisional fund, Rs 30,000/- invested in life insurance policies, Rs.1,00,000/-balance of fixed deposit. This called the portfolio of the investor. If the investor want to change the above fund, say Rs 50,000/- of fixed deposit fund want to invest the mutual fund or shares of a company.This is called diversification. In selecting specific investments, investors need specific ideas about the features which the portfolio should possess.

Following are some of the features which an investor look into an investment in portfolio.

1. Liguidity : Here liguidity means that the investment is saleable or convertible into case without delay.
2. Risk: Risk of an investment is to be analysed from two different angles. One is safety of principal and another is stability of return, means profit or interest.
3. Capital or Principal Appreciation: Investors always prefer those investments which have more chances of appreciation.
4. Tax aspects: Investments differ with respect of tax treatment of initial investment, return from investment and redemption of proceeds.
5. Investment Horizon: The maturity period of an investment makes it more attractive if it coincides with the date when funds would be needed.

Diversification: Instead of investing all funds in one assets, the funds be invested in a group of assets is called diversification. It means ' Never put all your eggs in one breakfast.' Diversification helps in reducing the risk of investing. It may be attempted in two ways.

a) Random Diversification: An investor may randomly selected the portfolio without analysing the risk and return of the commitments.

b) Efficiant Diversification: An investor may construct a portfolio by carefully studying and analysing the risk and return of individual securities. ❑



মুখ্য উপদেষ্টা, সভাপতি, সম্পাদক প্ৰমুখ্যে
এছকটচৰ বৰ্তমানৰ সঞ্চালক মণ্ডলী



স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ বিষয়ববীয়া সকল